**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 29-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

অসমৰ মীন পালন খণ্ডৰ প্ৰসাৰৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰ আৰু জাপানে কালি অসম ৰাজ্যিক জলজ প্ৰাণী পালন আৰু জলজ কৃষিৰ প্ৰসাৰ আৰু জীৱিকা উন্নয়ন প্ৰকল্পৰ বাবে ৩৫৮ কোটি জাপানী য়েনৰ এখন চুক্তিত স্বাক্ষৰ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই চুক্তিয়ে মাছৰ উৎপাদন বৃদ্ধি কৰিব আৰু জলজ কৃষিৰ বিকাশ ত্বৰান্বিত কৰিব। এই চুক্তিয়ে মাছৰ যোগান শৃংখলা সুদৃঢ় কৰি মীন পালন খণ্ডৰ সৈতে জড়িতসকলৰ জীৱিকা উন্নত কৰিব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। মীন বিভাগৰ সুদৃঢ়কৰণতো এই চুক্তিয়ে সহায় কৰিব।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০ টা নিয়মীয়া শিক্ষক পদৰ নথি পৰীক্ষণ পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত স্থগিত ৰাখিছে। উল্লেখযোগ্য যে এই পদসমূহৰ নিযুক্তি প্ৰক্ৰিয়াক লৈ একাংশ প্ৰাৰ্থীয়ে ওজৰ আপত্তি দৰ্শাই উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। এই আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে পদসমূহৰ বাবে দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ আৰম্ভ কৰিব নোৱাৰিব বুলি ৰায় দিছিল।

০০০০

কেন্দ্ৰীয় বিদ্যালয়সমূহে গুণগত শিক্ষাৰ প্ৰসাৰেৰে দেশত মানৱ সম্পদ গঢ় দিয়াত অগ্ৰণি ভূমিকা পালন কৰি আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত কেন্দ্ৰীয় বিদ্যালয়ৰ নতুন স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰি মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে শৈক্ষিক ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিছে বুলিও তেওঁ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে জ্ঞান অন্বেষণৰ লগতে সৃষ্টিশীলতা, উদ্ভাৱনী কৌশল আৰু ন-ন প্ৰযুক্তিৰ অৱলম্বনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ সৱলীকৰণত গুৰুত্ব দিবলৈ কেন্দ্ৰীয় বিদ্যালয়ৰ কৰ্তৃপক্ষক আহ্বান জনায়। উল্লেখযোগ্য যে ডিব্ৰুগড় নগৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ কনভয় ৰোডত কেন্দ্ৰীয় বিদ্যালয়ৰ নতুন স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। প্ৰায় ৩৭ কোটি টকা ব্যয় সাপেক্ষে বিদ্যালয়ৰ ভৱন নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে আজি অনুষ্ঠিত মাংগলিক অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে মন্ত্ৰী প্ৰশান্ত ফুকন আৰু বিভিন্ন নিকায় নিগমৰ অধ্যক্ষ-উপাধ্যক্ষ উপস্থিত থাকে। উল্লেখযোগ্য যে ২০০৩ চনৰ পৰা ডিব্ৰুগড়ৰ চৌকিডিঙিত ডাক বিভাগৰ ভৱনত অস্থায়ীভাৱে কেন্দ্ৰীয় বিদ্যালয়খনৰ পাঠদান চলি আহিছে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতিৰ বৈঠকতো অংশগ্ৰহণ কৰে। এই বৈঠকত জিলাখনৰ বিভিন্ন বিভাগত ৰূপায়িত আঁচনিসমূহৰ

কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনা কৰা হয়। শ্ৰীসোণোৱালে চৰকাৰী নীতি নিৰ্দেশনা অনুসৰি পুজিৰ সঠিক ব্যৱহাৰৰ দ্বাৰা কাম-কাজসমূহ সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত শক্তি, দক্ষতা বিকাশ, নিয়োগ আদি দপ্তৰৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু জিলাখনৰ বিধায়ককেইগৰাকী উপস্থিত থাকে।

০০০০

দৰং জিলাৰ মঙলদৈ মহাবিদ্যালয়ত চলি থকা একবিংশ ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহত অংশ লবলৈ অহা শতাধিক শিশু বিজ্ঞানী আজি ঐতিহাসিক পথৰুঘাটৰ ৰণস্থলী আৰু খটৰাসত্ৰ পৰিদৰ্শন কৰোৱা হয়। তেওঁলোকে আজি পুৰা ১৪০ জন শ্বহিদৰ স্মৃতি বিজড়িত পথৰুঘাটৰ ৰণস্থলীত উপস্থিত হৈ শ্বহিদ বেদীত শ্ৰদ্ধা তৰ্পন কৰে। ইয়াৰ পাছতে খটৰা সত্ৰৰ ইতিহাস সম্পৰ্কে তেওঁলোক অৱগত হয়। এই সমাৰোহৰ অংশ হিচাপে আজি পুৱা মঙলদৈ মহাবিদ্যালয়ৰ পৰা এটা শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাত অংশগ্ৰহণকাৰীসকলে প্ৰকৃতি সংৰক্ষণ, প্ৰদূষণ ৰোধ কৰা আৰু ভাতৃত্ববোধৰ হকে শ্লোগান দিয়ে। ইয়াৰ পাছতে কামৰূপী লোক গীতৰ শিল্পী বসন্ত পাটগিৰিয়ে গীত পৰিবেশন কৰাৰ লগতে আলতাফ হুছেইন খণ্ডকাৰে যাদু প্ৰদৰ্শন কৰে। কাইলৈ সমাৰোহত আকস্মিক বক্তৃতা, সাধু কোৱা আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০

মন্ত্ৰী ৰূপেশ গোৱালাই আজি তিনিচুকীয়া জিলাৰ ডুমডুমা এফ আৰ ইউ হাস্পতালত ৰাইজৰ সেৱাৰ বাবে এখন এম্বুলেন্স মুকলি কৰে। এই এম্বুলেন্স সেৱাৰ জৰিয়তে ৰাইজৰ স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত নতুন মাত্ৰা প্ৰদান কৰিব বুলি মন্ত্ৰী শ্ৰীগোৱালাই আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে হাস্পতালখন পৰিদৰ্শন কৰি যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। অনুষ্ঠানত ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য উপস্থিত থাকে।

০০০০

অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন জিলাত অনুষ্ঠানৰ আয়োজন কৰা হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাতশিঙিমাৰীত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত কবিতা আবৃত্তি, এক অনন্য পৰিবেশ্য কলা শীৰ্ষক বক্তৃতা অনুষ্ঠিত হয়। একেদৰে ডিব্ৰুগড় জিলাতো আজি এই উপলক্ষে হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ত অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত আবৃত্তিক বৃত্তিলৈ পৰিৱৰ্তন কৰা সন্দৰ্ভতো আলোচনা কৰা হয়। শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ বিশিষ্ট আবৃত্তিকাৰ সৌমাৰজ্যোতি মহন্ত, চেহিৰ আহমেদক এই অনুষ্ঠানত আবৃত্তি প্ৰজ্ঞা সন্মান প্ৰদান কৰা হয়। মাজুলী জিলাতো আজি এই উপলক্ষে কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত হ'বলগীয়া খেলত ৰাজস্থান ৰয়েলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। খেলত অংশগ্ৰহণৰ বাবে আজি চেন্নাই ছুপাৰ কিংছ গুৱাহাটীত উপস্থিত হ'য়।

প্ৰতিযোগিতাত আজি আহমেদাবাদত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে-মুম্বাই ইণ্ডিয়ানছক জয়ৰ বাবে ১৯৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত গুজৰাট দলে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৯৬ ৰাণ সংগ্ৰহ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ